কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☎: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/০৬/২০২১
Ref :

তাৰিখ : ৩১-০৭-২০২১
Date :

## উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল
## অসম জাতীয় বিদ্যালয়ৰ ১০০ শতাংশই উত্তীৰ্ণ

**নুনমাটি, গুৱাহাটী, ৩১ জুলাই ঃ** আজি ঘোষণা কৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত অসম জাতীয় বিদ্যালয়ৰ ১০০ শতাংশ শিক্ষাৰ্থীয়ে উত্তীৰ্ণ হয়। ঘোষিত ফলাফল অনুসৰি বিদ্যালয়খনৰ বিজ্ঞান শাখাৰ ৩৯ গৰাকী শিক্ষাৰ্থীৰ ভিতৰতআটাইকেইগৰাকী শিক্ষাৰ্থীয়ে ষ্টাৰ নম্বৰসহ প্ৰথম বিভাগ লাভ কৰি উত্তীৰ্ণ হয়। ইয়াৰে ২৩ গৰাকীয়ে ৯০ শতাংশতকৈ অধিক নম্বৰ লাভ কৰে। ইংৰাজী বিষয়ত ৩৯ গৰাকীৰ ভিতৰত ৩৮ গৰাকীয়ে লেটাৰ নম্বৰ লাভ কৰাৰ বিপৰীতে অসমীয়া বিষয়ত ৩২ গৰাকীৰ ভিতৰত ৩২, বিকল্প ইংৰাজীত ০৭ গৰাকীৰ ভিতৰত ০৭, পদাৰ্থ বিজ্ঞানত ৩৯ গৰাকীৰ ভিতৰত ৩৯, ৰসায়ন বিজ্ঞানত ৩৯ গৰাকীৰ ভিতৰত ৩৯, গণিতত ৩৯ গৰাকীৰ ভিতৰত ৩৯, জীৱবিজ্ঞানত ২৫ গৰাকীৰ ভিতৰত ২৫, পৰিসংখ্যাত ০৪ গৰাকীৰ ভিতৰত ০২, কম্পিউটাৰ বিজ্ঞানত ১১ গৰাকীৰ ভিতৰত ১০ গৰাকী শিক্ষাৰ্থীয়ে লেটাৰ নম্বৰ লাভ কৰে। বিজ্ঞান শাখাত মুঠ লেটাৰৰ সংখ্যা ২৩১। আনহাতে কলা শাখাত ৫৪ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ৫৪ গৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ইয়াৰে ৫৩ গৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰে আৰু ১৪ গৰাকীয়ে ৯০ শতাংশতকৈ অধিক নম্বৰ লাভ কৰি উত্তীৰ্ণ হয়। ইয়াৰে ৫৪ গৰাকীৰ ভিতৰত ৪৫ গৰাকীয়ে ইংৰাজীত লেটাৰ নম্বৰ লাভ কৰাৰ বিপৰীতে অসমীয়াত ৫০ গৰাকীৰ ভিতৰত ৪৭, বিকল্প ইংৰাজীত ০৪ গৰাকীৰ ভিতৰত ০৩, অৰ্থনীতিত ৪৬ গৰাকীৰ ভিতৰত ৪২, শিক্ষাত ৫২ গৰাকীৰ ভিতৰত ৪৪, ৰাজনীতি বিজ্ঞানত ৫২ গৰাকীৰ ভিতৰত ৪৭, তৰ্ক আৰু দৰ্শন শাস্ত্ৰত ৫২ গৰাকীৰ ভিতৰত ৫১, ইতিহাসত ০৮ গৰাকীৰ ভিতৰত ০৬, পৰিসংখ্যাত ০২ গৰাকীৰ ভিতৰত ০২, গণিতত ০২ গৰাকীৰ ভিতৰত ০২ আৰু কম্পিউটাৰ বিজ্ঞানত ০২ গৰাকীৰ ভিতৰত ০২ গৰাকী শিক্ষাৰ্থীয়ে লেটাৰ নম্বৰ লাভ কৰে। কলা শাখাত মুঠ লেটাৰৰ সংখ্যা ২৯১।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়